আৰু সৎ হৰিজন যুৱক যশোৱন্তৰ 'ইউনিয়ন'ত অন্তৰ্ভুক্তিয়ে তেওঁলোকলৈ আশা কঢ়িয়াই আনিছে। শ্ৰমিকসকল যেন এক প্ৰকাৰ যুঁজতহে প্ৰবৃত্ত হৈছে। কিন্তু যুদ্ধজয়ৰ বাবে প্ৰয়োজন হোৱা উপযুক্ত সু-সজ্জিত ঢাল-তৰোৱাল তেওঁলোকৰ নাই। কেৱল সততা আৰু আশাকেই মূলধনস্বৰূপে লৈ যুঁজত নেতৃত্ব ল'বলৈ যোৱা যশোৱন্তই তেওঁলোকৰ একমাত্ৰ ভৰষা, একমাত্ৰ তৰোৱাল। যিখন তৰোৱাল মামৰে ধৰা অৰ্থাৎ শক্তিহীন। পূৰ্ব পৰিকল্পনা অবিহনে এই যুঁজ প্ৰহসনত পৰিণত হৈছে। শম্ভু পাছোৱানে অহৰহ কঢ়িয়াই লৈ ফুৰা খালি টিঙটোৱে ধৰ্মঘটৰ ফোপোলা স্বৰূপক ইঙ্গিত কৰিছে।

'মামৰে ধৰা তৰোৱাল'ৰ কাহিনী সংস্থাপিত হৈছে উত্তৰ প্ৰদেশৰ ৰাইবেৰেলী জিলাৰ সাই নদীৰ একুৱেডাক্ট (aqueduct)[2] নিৰ্মাণকাৰী ডানকান কোম্পানীৰ 'ৱাৰ্ক চাইট'[3]ৰ পটভূমিত। উপন্যাসৰ আৰম্ভণিতে সংযোজিত টোকাত লেখিকাই উল্লেখ কৰিছে যে "ৰাইবেৰেলী জিলাৰ সাই নদীৰ ওপৰত একুৱেডাক্ট (aqueduct) বন্ধাৰ সময়ত কিছুদিন 'ৱাৰ্ক চাইট'ত থকাৰ সুযোগ" তেওঁ পাইছিল[4] আৰু শ্ৰমিকসকলৰ দিন প্ৰতিদিনৰ শোষিত জীৱনৰ খবৰ লাভ কৰিছিল। সেই সময়ত সংঘটিত শ্ৰমিকসকলৰ ধৰ্মঘটৰ পৰিণতিৰ বিফলতাই তেওঁৰ হৃদয় স্পৰ্শ কৰিছিল। উক্ত সত্য ঘটনাৰ অৱলম্বনতেই 'মামৰে ধৰা তৰোৱাল'ৰ কাহিনী তেখেতে নিৰ্মাণ কৰি উলিয়ায়। উপন্যাসখনৰ নামকৰণৰ অভিনবত্বই পাঠক মাত্ৰকে কৌতূহল জাগৃত কৰাটো স্বাভাৱিক। উপন্যাসৰ কথাবস্তুলৈ অগ্ৰসৰ হোৱাৰ পিছত অসমীয়া পাঠকসকলে আৱিষ্কাৰ কৰে এখন অপৰিচিত, বিচিত্ৰ জগতৰ জীৱন প্ৰবাহ। স্তৰে স্তৰে উন্মোচিত হয় সমাজৰ নিম্নস্তৰৰ বুভুক্ষু মানুহৰ মৰ্মবেদনা আৰু যন্ত্ৰণাকাতৰ মুহূৰ্তৰ ছবি। এই শ্বাসৰুদ্ধ পৰিস্থিতিৰপৰা মুক্তি পথৰ সন্ধানত মুখৰিত হৈ উঠিছে প্ৰতিবাদৰ ধ্বনি। কিন্তু কোম্পানীৰ মেনেজমেণ্টৰ বিৰুদ্ধে ধৰ্মঘট কৰিবলৈ সিদ্ধান্ত লৈ শ্ৰমিকসকলে যেন নিজৰ কবৰহে খান্দিলে। ধৰ্মঘট আৰম্ভ হোৱা দিনাখনৰে পৰা তেওঁলোকে নিত্য নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ল। খাদ্যৰ অভাৱ, মৃত্যু বিভীষিকাই চানি ধৰা ধৰ্মঘটকাৰীসকলৰ প্ৰতিবাদ শেষত অৰণ্যৰোদনত পৰিণত হ'ল। লোকেল লীডাৰ শাস্ত্ৰীৰ ষড়যন্ত্ৰত ধৰ্মঘট থানবান হৈ গ'ল।

লেখিকাৰ মতে উপন্যাসৰ কাহিনীত অনেক বাস্তৱ চৰিত্ৰই চিত্ৰিত হৈছে। দুই এটি চৰিত্ৰহে মাথো কিছু ৰহণ সনা হৈছে। উপন্যাসৰ কাহিনী সংঘটনৰ সময় ১৯৭৮ চন। সাই নদীৰ পাৰত অৱস্থিত বেহটা গাঁৱৰ কাষতেই সাই নদীৰ পাৰত ডানকান কন্‌ষ্ট্ৰাকচন কোম্পানীৰ অস্থায়ী শিবিৰ স্থাপন হৈছিল।



*... কিছু আঁতৰত সৌৱা বেহটা গাঁও।*
*এজোপা প্ৰাচীন বটগছৰ তলত*
*বেহটা গাঁৱে নিশ্চিত হৈ এয়া যেন শুইহে*
*আছে। সেইজোপা যেন বটগছ নহয়,*
*সেয়া এখন ধ্বজা।*[5]

বাক্যকেইটি উপৰুৱাকৈ চালে দেখাত সহজ-সৰল। কিন্তু লেখিকাৰ ভাষাৰ প্ৰভাৱশালী গুণ ইয়াত নিহিত হৈ আছে। বটগছজোপা বুঢ়া নাইবা পুৰণিও হ'ব পাৰিলেহেঁতেন। কিন্তু নহয় গছজোপা প্ৰাচীন। ইয়াত ব্যৱহৃত প্ৰাচীন শব্দটোৱে পাতনিতেই কাহিনীৰ পৰিবেশ গহীন কৰি তুলিছে। দীঘলীয়া সময়ৰ ক্ষত-বিক্ষত অভিজ্ঞতাৰ সাক্ষ্য বহনকাৰী বুঢ়া গছ জোপাই প্ৰাচীনত্ব অৰ্জন কৰিছে। গছজোপাৰ তলত নিশ্চিত মনে শুই থকা বেহটা গাঁওখনৰ পোৱা-নোপোৱাৰ হিচাবত তহবিল শূণ্য। তথাপি দেহৰ মাংসসাৰ শুকাই দুৰ্বল হৈ পৰা বৃদ্ধ গৰাকী এজনে ঘৰখনৰ সাক্ষী গোপাল ৰখীয়া হৈ থকাৰ দৰে প্ৰাচীন বটগছজোপায়ো বেহটা গাঁৱৰ অস্তিত্ব ঘোষণা কৰি আছে। বেহটা গাঁৱৰ বক্ষ বিদীৰ্ণ কৰি নিৰ্মাণ কৰা হৈছে ডানকান কোম্পানীৰ 'ৱাৰ্ক চাইট' লৈ যোৱা পথ। তথাপি গাঁৱৰ মাজৰ বটবৃক্ষই[6] ধ্বজা উৰুৱাইছে সেউজ সোণালী দিনৰ আশাৰে। উপন্যাসৰ শেষত এই আশা বাস্তৱায়িত হৈছে।

*সাই একুৱাডাক্টৰ ফীডাৰ চেনেলেৰে আহি একুৱাডাক্টত*
*পৰি ডিচ্‌ট্ৰিবিউটৰ চেনেলেৰে পানী গৈ বহুত খেতি পথাৰ*
*জাতিস্কাৰ কৰি তুলিছে।*
*... জগদীশপুৰৰ মানুহে ফীডাৰ চেনেলত সাতুৰি নাদুৰি গা ধোৱে।*
*দুই এজাক বনৰীয়া হাঁহেও চেনেলৰ পানীত গা-ধুবলৈ আৰম্ভ কৰি দিছে।*

★ ★ ★

*এয়া ফিৰোজ শ্বাহ কলনী। ইয়াৰ এটি এটি দালান কিনি ল'ব পৰা ৰায়বেৰেলীৰ লোকেল বাসিন্দাৰ মনত সৌভাগ্যৰ কথা হৈ পৰিল।*[7]

সাই নদীৰ একুৱেডাক্ট নিৰ্মাণৰ ফলস্বৰূপেই ৰাইবেৰেলী জিলাত এই প্ৰাণচঞ্চল কলনী গঢ় লৈ উঠিছে। অথচ যিসকল শ্ৰমিকে হাড়ক মাটি তেজক